**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 02-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

অসমত অহা ২ আৰু ৭ মে’ত দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ’ব। ৩ এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈ মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ’ব আৰু ১৭ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ১১ মে’ত নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হ’ব। আজি গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত ৰাজ্যিক নিৰ্বাচন আয়ুক্ত আলোক কুমাৰে এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি প্ৰথম পৰ্যায়ত অহা ২ মে’ত উজনি অসম আৰু বৰাক উপত্যকাত ভোটগ্ৰহণ অনুষ্ঠিত হ’ব।

দ্বিতীয় পৰ্যায়ত অহা ৭ মে’ত নামনি অসম আৰু মধ্য অসমত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ হ’ব। ষষ্ঠ অনুসূচীৰ এলেকাত এই নিৰ্বাচন নিৰ্বাচন অনুষ্ঠিত নহয়। আঞ্চলিক পঞ্চায়তৰ বাবে প্ৰাৰ্থীৰ সৰ্বাধিক ব্যয় আঢ়ৈ লাখ টকা, জিলা পৰিষদত ১০ লাখ টকা, গাঁও পঞ্চায়তৰ প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীৰ বাবে নিৰ্বাচনী ব্যয় সৰ্বাধিক ব্যয় ২৫ হাজাৰ টকা ধাৰ্য কৰা হৈছে বুলি নিৰ্বাচন আয়ুক্তগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। এই নিৰ্বাচনত ই ভি এমৰ পৰিৱৰ্তে বেলট কাগজ ব্যৱহাৰ কৰা হ’ব বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ ৩৩ টা সমষ্টিত আজি অনুষ্ঠিত ভোটগ্ৰহণৰ সামৰণি পৰিছে। বিয়লি ৩ বজালৈ পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাত ৬৭ দশমিক ৫-৫ শতাংশ আৰু গোৱালপাৰা জিলাত ৬৯ দশমিক ০-৮ শতাংশ ভোটদান হোৱা বুলি ৰাজ্যিক নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

পৰিষদৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ দৰিদুৰি সমষ্টিত সৰ্বাধিক ৮০ দশমিক ৩-৫ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। কামৰূপ জিলাৰ জৰিহাট সমষ্টিত সৰ্বনিম্ন ৫৭ দশমিক ৬-২ শতাংশ ভোটদান হোৱা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

পৰহিলৈ ৪ এপ্ৰিলত গোৱালপাৰা আৰু আমিনগাঁৱত ভোটগণনা কৰা হ’ব আৰু আবেলিৰ ভাগত ফলাফল ঘোষণা কৰা হ’ব।

০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি যোৰহাটত প্ৰায় ১১১ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও ৰাজহুৱা প্ৰকল্পৰ উদ্বোধন কৰা হয়। মুখ্যমন্ত্ৰীয়ে কমাৰবন্ধা আলিৰ উত্তৰে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ সমীপৰ পৰা মিচন হস্পিটেলৰ প্ৰৱেশদ্বাৰৰ সমীপলৈ নিৰ্মাণ হোৱা ৫৮১ মিটাৰ দৈৰ্ঘ্যৰ ৰে’লৰে উৰণ সেতুখন মুকলি কৰে। ৰাজ্য চৰকাৰ আৰু ভাৰতীয় ৰে’লৰেৰ অংশীদাৰিত্বত ৭৭ কোটি ২৭ লাখ টকা ব্যয়েৰে উৰণ সেঁতুখন নিৰ্মাণ কৰা হৈছে। ডঃ শৰ্মাই আজি যোৰহাটত অত্যাধুনিক সা-সঁজুলি সম্পন্ন স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰটো

মুকলি কৰে। এই প্ৰকল্পৰ বাবে ১২ কোটি ৫০ লাখ টকা ব্যয় কৰা হৈছে। ইয়াৰ দ্বাৰা যান-বাহনৰ মেনুৱেল ফিটনেছ পৰীক্ষাৰ পৰিৱৰ্তে স্বয়ংক্ৰিয় পৰীক্ষা কাৰ্যকৰী হ'ব। ইয়াৰ ফলত যান-বাহনৰ গৰাকীয়ে জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়লৈ গৈ বাহন পৰীক্ষা কৰোৱাৰ আৰশ্যকতা নাথাকিব। যোৰহাটৰ চিনামৰাত মুখ্যমন্ত্ৰীয়ে ১৯ কোটি ৯৮ লাখ টকা ব্যয়েৰে ৰাজ্য চৰকাৰে নিৰ্মাণ কৰা সন্মিলন কক্ষটো উদ্বোধন কৰে।

০০০০

কামৰূপ জিলা পৰিবহন বিভাগৰ অধীনত বাণিজ্যিক বাহন আৰু নতুনকৈ পঞ্জীয়ন হোৱা বাহনৰ পৰা ২০২৪-২৫ বৰ্ষত ৬২ কোটি ৪৪ লাখ ৭৯ হাজাৰ ৪০২ টকা কৰ সংগ্ৰহ কৰে। জিলা পৰিবহন বিষয়া মনোজ কুমাৰ চৌধুৰীয়ে এই কথা সদৰি কৰে। উল্লেখযোগ্য যে ২০২৪-২৫ বৰ্ষত জিলা পৰিবহন কাৰ্যালয়ৰ এনফোৰ্চমেন বিষয়াই মুঠ ২১ হাজাৰ ৮৪৯ টা বাহন সম্পৰ্কীয় গোচৰ ৰুজু কৰে আৰু তাৰ পৰা ৩ কোটি ৯৯ লাখ ৪৪ হাজাৰ ৬০০ টকা কৰ সংগ্ৰহ কৰা হয়।

০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা চমুকৈ ইছৰ'ৰ নৱনিযুক্ত অধ্যক্ষ ড° ভি নাৰায়ণে আজি কামৰূপ জিলাৰ চন্দ্ৰপুৰত নিৰ্মাণ হ'বলগীয়া নেত্ৰা প্ৰকল্পস্থলী পৰিদৰ্শন কৰে। তথ্য আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত ড° নাৰায়ণে চন্দ্ৰপুৰত ২০০ বিঘা ভূমিত অসমৰ নিজা কৃত্ৰিম উপগ্ৰহ **আছাম ছেট** প্ৰকল্পৰ কাম চলিত বৰ্ষৰ ডিচেম্বৰ মাহত আৰম্ভ কৰা হ'ব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। অধ্যক্ষগৰাকীয়ে প্ৰকল্পটোৰ ভিতৰত থকা গছ-গছনি নকটাকৈ পাৰিপাৰ্শ্বিক পৰিৱেশ অটুট ৰাখি প্ৰকল্পৰ কাম আৰম্ভ কৰিবলৈ সংশ্লিষ্ট বিষয়াক আহ্বান জনায়।

০০০০

ডিব্ৰুগড় জিলাৰ বৰবৰুৱাত আজি খণ্ড উন্নয়ন বিষয়াৰ নৱনিৰ্মিত কাৰ্যালয় ভৱন উদ্বোধন কৰা হয়। শক্তি আৰু দক্ষতা বিকাশ বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে এই ভৱনটো উদ্বোধন কৰে। অনুষ্ঠানত মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈকে ধৰি উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

আনহাতে ডিব্ৰুগড় জিলাৰ পানীতোলা উন্নয়ন খণ্ডৰ দিনজয় গাঁও পঞ্চায়তত পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে নিৰ্মাণ কৰা ভৰলুৱা প্ৰাথমিক বিদ্যালয়ৰ ৰান্ধনীঘৰ আৰু ভোজনালয়ৰ নৱনিৰ্মিত ভৱন আজি উদ্বোধন কৰা হয়। জিলাখনৰ আয়ুক্ত, জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু স্থানীয় ৰাইজৰ উপস্থিতিত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকন বৰুৱাই এই ভৱনটো উদ্বোধন কৰে।

০০০০

বাংগালুৰুৰ চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেটৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুয়ে - গুজৰাটৰ টাইটানছক জয়ৰ বাবে ১৭০ ৰাণৰ লক্ষ্য বান্ধি দিছে। গুজৰাট টাইটানছৰ আমন্ত্ৰণমৰ্মে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুয়ে প্ৰথম বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেটৰ বিনিময়ত ১৬৯ ৰাণ সংগ্ৰহ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ